www.prepp.in

Prepp
Your Personal Exams Guide

**Lang. Code : 03**

इस पुस्तिका में **20** पृष्ठ हैं ।
This booklet contains **20** pages.

# ATA-19-I

**प्रश्न-पत्र I / PAPER I**
**असमी भाषा परिशिष्ट**
**Assamese Language Supplement**
**भाग IV & V / PART IV & V**

परीक्षा पुस्तिका संकेत
**Test Booklet Code**

**A**

परीक्षा पुस्तिका संख्या
**Test Booklet No.**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20)पर दिए निर्देशों को ध्यान से पढ़ें ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें । / For instructions in Assamese see Page 2 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **A** । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा I - (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा II - (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **A**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language I - (Assamese) (Q. 91 to Q. 120)
   Part-V : Language II - (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) ____________________
Roll Number : in figures
: (शब्दों में) ____________________
: in words
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________ निरीक्षक के हस्ताक्षर : ____________
Candidate's Signature : Invigilator's Signature :
Facsimile signature stamp of
Centre Superintendent ____________________

**A**

www.prepp.in

Prepp
Your Personal Exams Guide



**Lang. Code : 03**

**এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে**

# ATA-19-I

## কাকত I

## অসমীয়া ভাষা

## খণ্ড IV & V

পৰীক্ষা বহীখনৰ কোড

**A**

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নির্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নির্দেশনা*** :

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নির্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কালা বল পেন** ব্যৱহাৰ কৰি'বাঁ ।
5. এইখন ভাষা বহীৰ কোড হ'ল A. এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :

   খণ্ড IV : ভাষা I — (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*

   খণ্ড V : ভাষা II — (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ : সংখ্যাৰে : ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of

Centre Superintendent ____________________

www.prepp.in



পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- I (Language-I)** – হিচাপে লৈছে, তেনেহ’লে **Part-IV**-ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

## Part – IV / ভাগ – IV
## Language – I / ভাষা – I
## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

**নিৰ্দেশ :**

**তলত দিয়া দফাটো মনোযোগেৰে পঢ়ি প্ৰশ্ন নং 91 ৰ পৰা 99 লৈ আটাইতকৈ উপযুক্ত বিকল্পটো বাচি উলিয়াই উত্তৰ কৰাঁ।**

মীৰজুমলা নবাবে জয় কৰি থৈ যোৱা গুৱাহাটী অসমে লোৱা বাৰ্তা শুনি ঔৰংজেৱ বাদছাহে ৰাজপুত ৰজা ৰামসিংহক পঠালে অসম মাৰিবৰ কাৰণে । ৰামসিংহই কটকী পঠাই ক'লে, "ভাই লাচিত, আমাৰ লগত যুঁজ কৰিব পাৰিবা জানো ? এই এটোপোলা আফুগুটি পঠিয়ালোঁ, ইয়াত যিমান গুটি, আমাৰ সৈন্যৰ সংখ্যাও তিমান ।" লাচিতে উত্তৰ দিলে, "আফুগুটি পঠিয়াইছা পটাত পিহিলে পানী হ'ব । মই এচুঙা বালি পঠিয়ালোঁ। আমাৰ সৈন্যৰ এনয় লক্ষণ ।"

কথাৰ যুদ্ধৰে বলে নোৱাৰি ৰামসিংহই ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীৰ গড় ল'বলৈ চেষ্টা কৰিলে। লাচিতৰ তেতিয়া ভীষণ জ্বৰ। জ্বৰৰ গাৰে তেওঁ নাও মেলি দিলে আৰু চিঞৰি ক'লে, "অসমীয়া ৰণুৱাসকল, মই যুঁজিহে মৰিম। চিলা পৰ্বতৰ ওপৰত এচপৰা মাটি কিনি থৈছোঁ, তাতে মোৰ শটো থ'বা, নাইবা মোক বঙালে ধৰি লৈ যাওক, তোমালোক সুখেৰে ঘৰলৈ উভতি যোৱা ।" লাচিতৰ এই মৃত্যুপণ শুনি অসমীয়াৰ গালৈ তেজ আহিল। শৰাইঘাটৰ যুঁজত ৰামসিংহ পৰাজিত হ'ল।

অসম এৰি যাবৰ সময়ত ৰামসিংহই কৈ গ'ল, "ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা । অকল এজন মানুহে সকলো সৈন্য চলায়, ই কি আচৰিত । মই হেন ৰামসিংহ নিজে যুদ্ধৰ সেনাপতি হৈও একোতে সুবিধা নাপাওঁ।"

শৰাইঘাটৰ যুদ্ধত অসমৰ বিজয় ভুকুতে পকা কল নাছিল । ইয়াৰ মূলত আছিল সুচিন্তিত আঁচনি, বিচক্ষণ সংগঠন, শৃংখলামূলক আয়োজন, সুদৃঢ় নিয়মানুবৰ্তিতা, বিপদত ধৈৰ্য, সংকটত নিৰ্ভীকতা, আমূলে দুৰ্নীতি দমন, দেশৰ মংগল কাৰ্যত সম্পূৰ্ণ আত্মবিলোপ আৰু স্বাৰ্থত্যাগ আৰু আত্মকন্দলৰূপী বিষবৃক্ষৰ গুৰিয়ে শিপায়ে ঠালে ঠেঙুলিয়ে উৎপাটন।

অকল যুদ্ধ সামগ্ৰীৰে যুদ্ধ জয় কৰিব নোৱাৰি । ইয়াৰ কাৰণে আহিলা-পাতি যিমান প্ৰয়োজন তাতকৈ বেছি প্ৰয়োজন সৈনিকবৃন্দ আৰু সমগ্ৰ জাতিৰ স্বাৰ্থহীন মনোবৃত্তি, কৰ্মনিষ্ঠতা আৰু যুদ্ধ জয়ৰ কাৰণে উত্ৰাৱল অথচ নিশ্চিত অভিলাষ।

লাচিতৰ অধীনত এক লক্ষ সৈন্য আছিল । সকলো সৈন্যৰ প্ৰাণ-মন যাতে কৰ্তব্যৰপৰা এক তিলো বিচলিত নহয়, তাৰ কাৰণে লাচিত বৰফুকনে অহোপুৰুষাৰ্থ কৰিছিল । কোনোবাই যুদ্ধৰ কামত মন এৰি ইফাল-সিফাল কৰে বুলি লাচিত বৰফুকনে পোন প্ৰথমে কামাখ্যা গোসাঁনীলৈ সেৱা কৰি ঘোষণা কৰিছিল, "যুদ্ধৰ কামত পাছ হুহঁকিলে মই এই হেংদানেৰে দুডোখৰ কৰি কাটিম, পাছতহে স্বৰ্গদেৱক জনাম।"

www.prepp.in

Prepp
Your Personal Exams Guide



**91.** ‘ভীষণ’ শব্দটোত মুৰ্দ্ধন্য ‘ণ’ ব্যৱহাৰ হোৱাৰ কাৰণ -

(1) ‘ণ’ত্ব বিধিৰ নিয়ম মতে ‘ষ’ৰ পাছত ‘ণ’ বহে।

(2) ‘ষ’ত্ব বিধিৰ নিয়ম মতে ‘ষ’ৰ পাছত ‘ণ’ বহে।

(3) ব্যাকৰণৰ নিয়ম মতে শব্দৰ প্ৰথমত ‘ব’ বৰ্গৰ ধ্বনিত গুৰুস্বৰ থাকিলে শেষৰ বৰ্ণ ‘ট’ বৰ্গৰ হয়।

(4) উচ্চাৰণ সংগতি ৰক্ষা কৰি।

**92.** ওপৰৰ পাঠত থকা লাচিতৰ মৃত্যুপণসূচক উক্তিটোৰ সাৰভাগৰ সৈতে তলৰ কোনটো উক্তি অধিক সংগতিপূৰ্ণ ?

(1) যুদ্ধত মৰিলে যুদ্ধস্থলীৰ কাষতে সৎকাৰ কৰাটো তেওঁ কামনা কৰিছিল।

(2) যুদ্ধত হয় বিজয় নিশ্চিত কৰিব, নহ’লে মৃত্যুক সাৱতি থ’ব । কিন্তু হাৰ মানি উলটি নাযায়।

(3) শত্ৰুৰ হাতত বন্দী হ’বলৈও তেওঁ সাজু।

(4) বেমাৰৰ বাবে মৃত্যু অৱশ্যম্ভাৱী বুলি তেওঁ ভাবিছিল।

**93.** ‘বিচক্ষণ’ শব্দৰ সমাৰ্থক নহয় -

(1) পটু

(2) দক্ষ

(3) পাৰ্গত

(4) প্ৰাজ্ঞ

**94.** সুচিন্তিত আঁচনি, বিচক্ষণ সংগঠন, শৃংখলাবদ্ধ আয়োজন আদিয়ে -

(1) শৰাইঘাটৰ যুদ্ধত অসমীয়াৰ জয় নিশ্চিত কৰিছিল।

(2) ৰামসিংহক হতাশ কৰিছিল।

(3) শৰাইঘাটৰ যুদ্ধত ৰছদ পাতি যোগানৰ ব্যৱস্থা সহজ কৰিছিল।

(4) গুৱাহটী আহোমৰ দখললৈ আনিছিল।

**95.** “লাচিতৰ তেতিয়া ভীষণ জ্বৰ।” – ইয়াত ভীষণ শব্দটো -

(1) বিশেষ্য

(2) বিশেষণ

(3) ক্ৰিয়া

(4) সৰ্বনাম

**96.** “অকল এজন মানুহে সকলো সৈন্য চলায়, ই কি আচৰিত।” – এই ‘এজন মানুহ’ কোন ?

(1) আহোম ৰজা

(2) পালি সেনাপতি

(3) আতন বুঢ়াগোহাঁই

(4) লাচিত বৰফুকন

www.prepp.in



97. লাচিত বৰফুকনে প্ৰতিৰোধ কৰা মোগলৰ আক্ৰমণৰ পূৰ্বে কোনে গুৱাহাটী জয় কৰিছিল ?

(1) ৰামসিংহ

(2) ঔৰংজেৱ

(3) মীৰজুমলা

(4) কোনেও জয় কৰিব পৰা নাছিল

98. 'আহিলা-পাতি' – এই শব্দটো কিহৰ উদাহৰণ ?

(1) সমাস

(2) সন্ধি

(3) বাচ্য পৰিৱৰ্তন

(4) ৰূপ পৰিৱৰ্তন

99. "শৰাই ঘাটৰ যুদ্ধত অসমৰ জয় ভুকুতে পকা কল নাছিল।"

'ভুকুতে পকা কল নাছিল' মানে হৈছে –

(1) কাম এটা সম্পন্ন হ'বলৈ গাত জোৰ থাকিব লাগে।

(2) গাৰ জোৰেৰে কাৰ্য সম্পাদন কৰিব নোৱাৰি। ই সময় সাপেক্ষ কথা।

(3) কেঁচা কলত ভুকু মাৰি থাকিলে যিদৰে নপকা হয়, সেইদৰেই কাম এটা অত্যাধিক জোৰ দিলে ফলাফল শূন্য হয়।

(4) ভুকু আৰু কল পকাৰ মাজত কোনো সম্পৰ্ক নাই।

নিৰ্দেশ : তলত দিয়া পদ্যাংশ পঢ়ি তলত উল্লেখ কৰা (100 ৰ পৰা 105 লৈ) প্ৰশ্নসমূহৰ বিকল্পসমূহৰ মাজৰ পৰা আতাইতকৈ শুদ্ধ বিকল্পটো চিনাক্ত কৰাঁ –

এয়া মোৰ আইতা, আশী বছৰীয়া;
মধ্যাহ্ন সূৰুযৰ প্ৰখৰ তাপত,
নাইবা
ঘনঘোৰ বাৰিষাৰ প্ৰলয় দিনত
জহকালি, জাৰকালি, সকলোকে
উপলুঙা কৰি
ঘূৰি ফুৰা মৰাপাট বৰণীয়া চুলি।
আইতাক লগ পাই সুধিছিলোঁ মই;
"তুমি আই, লাখুটিত ভৰ দি
খুপি খুপি বিচাৰিছা কি ?"
আইতাই ঘোলা চকুজুৰি
মোৰ ফালে তুলি
একেষাৰ কথা মাথোঁ ক'লে;
"মই বিচাৰিছোঁ, বিচাৰিছোঁ কি,
তই নুবুজিবি, নুবুজিবি সোণ।
বিচাৰিছো মই সেই কুৰিটা বছৰ,
মোৰ যৌৱনৰ, সপোনৰ
বাটৰ ধূলিত কিজানিবা আছে লীন হৈ।"

100. 'সুৰুয' শব্দৰ তৎসম ৰূপ কি ?

(1) নক্ষত্ৰ

(2) বেলি

(3) সূৰ্য

(4) অৰুণ

www.prepp.in



**101.** “আইতাই ঘোলা চকুজুৰি ........” ইয়াৰ ‘ঘোলা’ শব্দটো এটা

(1) বিশেষ্য

(2) বিশেষণ

(3) অব্যয়

(4) সৰ্বনাম

**102.** ‘প্ৰখৰ’ শব্দৰ সমাৰ্থক শব্দ –

(1) উত্তপ্ত

(2) চোকা

(3) ঘোৰ

(4) ঘন

**103.** মৰাপাটৰ বৰণ ধৰা চুলিৰ আইতাগৰাকীয়ে কি বিচাৰিছে ?

(1) হেৰাই যোৱা যৌৱনৰ দিনবোৰৰ স্মৃতি

(2) কুৰিটা বছৰ

(3) যৌৱন ঘুৰাই বিচাৰিছে

(4) কোনেও নুবুজা কিছুমান বস্তু

**104.** আইতাই কিহক উপলুঙা কৰি ঘূৰি ফুৰে ?

(1) সূৰ্যক

(2) মধ্যাহ্নক

(3) সমাজক

(4) জাৰ-জহৰ প্ৰত্যাহ্বানক

**105.** “মই বিচাৰিছোঁ, বিচাৰিছোঁ কি
তই নুবুজিবি, নুবুজিবি সোণ।”
– ইয়াত কি কাব্যালংকাৰ ফুটি ওলাইছে ?

(1) উপমা (2) ৰূপক

(3) অনুপ্ৰাস (4) ব্যতিৰেক

নিৰ্দেশ :তলৰ প্ৰশ্নসমূহৰ (106 ৰ পৰা 120 লৈকে) শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা বিচাৰি উলিওৱাঁ।

**106.** মাতৃভাষাকেন্দ্ৰিক বহুভাষিকতা মানে হৈছে -

(1) কেবল মাতৃভাষাৰ শিকন

(2) মাতৃভাষাৰ মাধ্যমেদি শিকন

(3) প্ৰথমতে মাতৃভাষা শিকন আৰু পৰৱৰ্তী পৰ্যায়ত অধিক ভাষাৰ সৈতে পৰিচয়

(4) একাধিক ভাষা আৰু বিদেশী ভাষা মাতৃভাষা ৰূপে শিকন

**107.** বিদ্যালয়ত ভাষা শিক্ষনৰ নীতিক কোৱা হয়

(1) বহুভাষিক শিক্ষা

(2) শিক্ষাৰ ভাষা

(3) মাতৃভাষাকেন্দ্ৰিক বহুভাষিকতা

(4) ত্ৰিভাষা সূত্ৰ

**108.** সামগ্ৰিক ভাষা অভিগমন (Whole language approach) হৈছে

(1) শিক্ষাৰ্থীয়ে বৰ্ণ আৰু উচ্চাৰণৰ মাধ্যমেৰে শব্দ, খণ্ডবাক্য আৰু বাক্য শিকাৰ যোগেদি এটা ভাষা শিকা ধাৰণা বুলি কৰা।

(2) শিক্ষাৰ্থীয়ে ভাষাখণ্ড আৰু উচ্চাৰণ, ধ্বনি আদিৰ দৰে ক্ষুদ্ৰ অংশ আহৰণ কৰি ভাষা শিকা ধাৰণা বুলি কৰা।

(3) বৰ্ণমালাৰ আখৰৰ দৰে ক্ষুদ্ৰ অংশবোৰ শিকাৰপৰা ভাষা শিকন আৰম্ভ হোৱা বুলি থকা এটা ধাৰণা

(4) সকলো ভাষা একেধৰণেৰেই শিকা হয় বুলি থকা এটা ধাৰণা

**109.** ভাষা শিক্ষণৰ কোনটো পদ্ধতিয়ে স্মৰণক ভাষা শিক্ষণৰ এটা দিশ ৰূপে গণ্য কৰে ?

(1) গাঁথনিক পদ্ধতি (Structural Approach)

(2) ব্যাকৰণ অনুবাদ পদ্ধতি (Grammar Translation method)

(3) যোগাযোগ মূলক পদ্ধতি (Communicative approach)

(4) সামগ্রিক কায়িক সঁহাৰি (Total Physical Response)

**110.** কাব্য এগৰাকী ভাষা-শিক্ষয়িত্রী । তেওঁ ছাত্র-ছাত্রীসকলক বিভিন্ন বিষয়ৰ লগত সম্পর্কিত শব্দ বিচাৰিবলৈ দিলে আৰু তাৰ মিত্রশব্দসমূহ **(befriend words)** (অর্থাৎ যিবোৰ শব্দ এটা শব্দৰ আগত আৰু পাছত বহে) বিচাৰি উলিয়াবলৈ দিলে । এই কৌশলটোক কি বুলি কোৱা হয় ?

(1) সহযোজন (Collocation)

(2) শব্দজাল (Word Web)

(3) শব্দ খেল (Word play)

(4) শব্দগঠন (Word formation)

**111.** এগৰাকী শিক্ষকে তেওঁৰ ছাত্র-ছাত্রীসকলৰ শিকন-ক্ষমতা পৰীক্ষা কৰিবৰ বাবে প্রশ্ন প্রস্তুত কৰিছে । তেওঁ এটা পেৰাগ্রাফৰ অন্তর্ভুক্ত বাক্যসমূহৰ পৰা প্রতি পাঁচ নম্বৰৰ শব্দটো বাদ দি গৈছে আৰু ছাত্র-ছাত্রীসকলক খালী ঠাইসমূহ পূৰণ কৰিবলৈ দিছে । এই পৰীক্ষণ কৌশলটোক কি বুলি কোৱা হয় ?

(1) পঠন বোধ (Reading Comprehension)

(2) শব্দভাণ্ডাৰ পৰীক্ষণ (Vocabulary testing)

(3) খালী ঠাই পূৰণ কৰা (Fill in the blanks)

(4) ক্ল'জ টে'ষ্ট

**112.** কথা কৈ থাকোঁতে সঠিক স্থানত সঠিক শব্দ এটা সঠিক উচ্চাৰণ কৰা প্রক্রিয়াটোক কোৱা হয় -

(1) শৰীৰৰ ভাষা (Body language)

(2) কথন কৌশল (Mechanics of Speaking)

(3) ভাষাৰ কার্যকাৰিতা (Language Function)

(4) ভাষাৰ ব্যৱহাৰ (Language in Use)

**113.** 'কাহিনী কথন' **(story telling)** ক কি ক্ষেত্রত এটা শিক্ষণ আহিলা হিচাপে প্রয়োগ কৰা হয় ?

(1) শিক্ষার্থীক শ্রৱণ কার্যত জড়িত কৰিবলৈ ।

(2) শিক্ষার্থীৰ কথন দক্ষতা বিকাশ কৰিবলৈ ।

(3) ভাষা আৰু বর্ণবোধ দক্ষতা (Literacy Skill) বিকাশ সাধিবলৈ ।

(4) শ্রেণীকোঠাত শৃংখলাবদ্ধতা বর্তাই ৰাখিবলৈ ।

**114.** প্রসংগ অনুসৰি ব্যাকৰণ **(Grammar in Context)** মানে হৈছে –

(1) অনুশীলন (drills) আৰু অভ্যাসৰ দ্বাৰা ব্যাকৰণ শিকন ।

(2) প্রথমতে ৰূপ (Form) আৰু তাৰ পাছত কার্যকাৰিতা শিকন ।

(3) য'ত ৰূপ (Form) প্রথমতে প্রত্যক্ষ কৰা যায়, প্রথমে সেই স্বাভাৱিক ভাষাৰ (Natural Language) উদাহৰণৰ পৰা শিকন আৰু তাৰ প্রসংগ অধ্যয়ন ।

(4) শিক্ষার্থীয়ে পর্যায়ক্রমে বিকাশ সম্পর্কে বুজিব পৰাকৈ ৰূপৰ (Form) বিন্যাসিত (Structured manner) অধ্যয়ন ।

Prepp
Your Personal Exams Guide



115. তলৰ কোনটো শিকন দক্ষতা [Study skill] নহয় ?

(1) বক্তৃতাৰ পৰা টোকা (Note) লেখন

(2) পঠনৰ সময়ত টোকা প্রস্তুত কৰণ

(3) সাৰাংশ (Synopsis) লেখন

(4) কোনো অনুষ্ঠানৰ কাৰ্যসূচী (agenda) লেখন

116. পাঠ্যপুথিৰ প্ৰণেতাসকলে সদায় মূল লেখকে লেখা গদ্য পাঠ, কবিতা, বৃত্তান্ত আদি অন্তৰ্ভূক্ত কৰে । তেওঁলোকে বাতৰিকাকত, আলোচনী আদিৰ পৰাও মূল পাঠ অন্তৰ্ভূক্ত কৰে । কাৰণ –

(1) এইসমূহ প্ৰামাণিক আৰু ইয়াৰ ভাষা স্বাভাৱিক (Natural) ।

(2) পাঠ্যপুথিৰ প্ৰণেতাসকলে স্বতন্ত্ৰ পাঠ (item) পচন্দ কৰে ।

(3) এইসমূহ অনুশীলনীৰ বাবে সুবিধাজনক ।

(4) এইসমূহ পঠনৰ বাবে সুবিধাজনক ।

117. তলৰ কাৰ্যটিক কি বোলা হয় ?

শিক্ষকে নিজৰ ধৰণেৰে এটা পাঠ পঢ়ি গৈছে আৰু শিক্ষাৰ্থীসকলে গোট বান্ধি মূল কথাবোৰ লিখি ৰাখি পাঠটো নিজৰ ধৰণেৰে লিখি উলিয়াইছে ।

(1) শ্ৰুতলিপি (Dictation)

(2) ব্যাকৰণ শ্ৰুতলিপি (Grammar Dictation)

(3) পুন:লেখন কাৰ্য

(4) পাৰস্পৰিক শ্ৰুতলিপি (Mutual Dictation)

118. সাধাৰণতে প্ৰথম ভাষা বিকাশ মানে হৈছে -

(1) শিকন

(2) আহৰণ

(3) বিকাশ

(4) বোধ

119. প্ৰথম শ্ৰেণীত শিক্ষকতা কৰা এগৰাকী শিক্ষকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাতৃভাষা সুকীয়া সুকীয়া । তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভাষাতে পাৰস্পৰিক সম্ভাষণ জনাবলৈ ক'লে । ছাত্ৰ-ছাত্ৰীসকলে এইদৰে কৰোঁতে কৰোঁতে প্ৰত্যেক দিগই নতুন নতুন শব্দৰ সৈতে পৰিচয় হ'বলৈ আৰম্ভ কৰিলে । শিক্ষকগৰাকীয়ে গ্ৰহণ কৰা কৌশলটো আছিল -

(1) এটা সমল হিচাপে বহুভাষিকতা

(2) বহুভাষিতা (Poliglotism)

(3) এটা কৌশল হিচাপে বৈবিধ্য

(4) একভাষিকতা

120. তলৰ কোনটো কৌশল শিক্ষাৰ্থীক ভাষা শিকোৱাৰ ক্ষেত্ৰত আদৰ্শ কৌশল ৰূপে গণ্য কৰিব নোৱাৰি ?

(1) গীত আৰু পদ্যৰ মাধ্যম

(2) শব্দ আৰু চমু বাক্যৰ প্ৰয়োগ

(3) বৰ্ণমালাৰ আখৰসমূহৰ পৰিচয়

(4) মৌখিক আৰু শ্ৰাবিক ভাৱ বিনিময়

www.prepp.in



পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (প্ৰশ্ন নং **121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

www.prepp.in

Prepp
Your Personal Exams Guide



## Part – V / ভাগ – V
## Language – II / ভাষা – II
## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা - **II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (প্ৰশ্ন নং **121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

**নিৰ্দেশ : তলত দিয়া ৰচনাখণ্ড মনোযোগেৰে পঢ়ি তাৰ আধাৰত তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 121-ৰ পৰা 128 লৈ) আটাইতকৈ উপযুক্ত উত্তৰটো চিনাক্ত কৰাঁ।**

আমাৰ অসমত যে সময়ে সময়ে প্ৰচণ্ড ভূঁইকঁপ হৈ দেশ বিপন্ন কৰিছিল, তাৰ বৰ্ণনা আমাৰ পুৰণি বুৰঞ্জীসমূহতো পোৱা যায়। এটা হিচাপ মতে ১৮৩০ চনৰপৰা ১৯৫০ চনলৈ এই এশ কুৰি বছৰৰ ভিতৰত অসমত চৈধ্যটা ডাঙৰ ভূঁইকঁপ হৈছে। তাৰে ভিতৰত ১৮৯৭ আৰু ১৯৫০ চনত হোৱা ভূঁইকঁপ দুটা আছিল অতি ভয়ংকৰ। ১৮৯৭ চনৰ ভূঁইকঁপত নামনি অসমৰ বিশেষকৈ কামৰূপ, গোৱালপাৰা আৰু গাৰো পাহাৰ, খাচিয়া-জয়ন্তীয়া পাহাৰৰ বিস্তৰ ক্ষতি হয়। বহুতো ওখ ঠাই তললৈ বহি যায়। তেতিয়া অসমৰ ৰাজধানী শ্বিলং নগৰ ধ্বংস-স্তূপত পৰিণত হয়। ১৯২৩ চনত জাপানত এটা ডাঙৰ ভূঁইকঁপ হয় আৰু প্ৰায় কুৰি লক্ষ লোকৰ প্ৰাণ হানি হয়। ১৯৩০ চনত বৰ্মা দেশৰ পেগু অঞ্চলত ভূঁইকঁপ হৈ বহুতো ধন-জন হানি হয়। ১৯৩৪ চনত বিহাৰৰ ভূঁইকঁপে বিহাৰৰ মানচিত্ৰকে সলাই পেলায়। মুংগেৰ, দ্বাৰভাঙ্গা, মজঃফৰপুৰ, সীতামাৰি আদি নগৰসমূহ ধ্বংস-স্তূপত পৰিণত হয়। ১৯৭৭ চনত চীনত প্ৰৱল ভূঁইকঁপ হৈ এক প্ৰকাৰ খণ্ড প্ৰলয়ৰ সৃষ্টি কৰে। ১৯৮৮ চনৰ ৭ ডিচেম্বৰ ৰাচিয়াৰ আৰ্মেনিয়া প্ৰদেশৰ স্পিটাক আৰু লাইনাকান চহৰত প্ৰলয়ঙ্কৰী ভূঁইকঁপ হোৱাত ৫৫ হাজাৰমান মানুহৰ মৃত্যু হয় আৰু ১ লাখ মান মানুহ আহত হয়। স্পিটাক চহৰখন সম্পূৰ্ণ ধ্বংস হয়। ১৯৯০ চনৰ ২৩ জুনত হোৱা প্ৰচণ্ড ভূঁইকঁপত ইৰাণৰ প্ৰায় ৪০ হাজাৰ লোকৰ মৃত্যু আৰু বহু লোক আহত হয়।

১৯৯১ চনৰ ২০ অক্টোৱৰ ৰাতি ২.৫৩ মিঃ-ত উত্তৰ ভাৰতৰ আলমোৰা আৰু গাৰোয়াল অঞ্চলত প্ৰৱল ভূঁইকঁপ হয়। প্ৰায় ৫ হাজাৰ গ্ৰামৰ ঘৰ-বাৰী, দলং আদি ভাঙি পৰে। এহাজাৰমান মানুহৰ মৃত্যু হয় আৰু দহ হাজাৰমান আহত হয়।

১৯৫০ চনত ১৫ আগষ্টৰ গধূলি ৭ বাজি ৩০ মিনিটত অসমত এটা প্ৰৱল ভূঁইকঁপ হয়। এই ভূঁইকঁপৰ ফলত উজনি অসমৰ প্ৰচুৰ ক্ষতি হয়। গোটেই অসমত প্ৰায় কুৰি লাখ মানুহৰ অনিষ্ট হয় আৰু এটা অসমৰ্থিত বাতৰি মতে দুই হাজাৰ লোক নিখোজ হয়। হাঁহ-কুকুৰা, গৰু-ম'হ, শস্যাদিৰ ক্ষতি যে কিমান হৈছিল। দিহং, দিবাং আদি নৈৰ তলি দাং খাই ঠায়ে ঠায়ে ভয়াৱহ বানপানীৰ সৃষ্টি কৰিছিল। কোনো কোনো ঠাই বালিয়ে পুতি পেলাইছিল। গছ-বিৰিখ ভাঙি-ছিঙি খণ্ড-বিখণ্ড হৈ যায়। এই ভূঁইকঁপৰ ফলত স্থায়ী অনিষ্ট হ'ল ব্ৰহ্মপুত্ৰকে ধৰি পূব অসমৰ প্ৰায়বোৰ নদীৰ তলিবোৰ ওফন্দি উঠা। নদীৰ তলিবোৰ দাং খাই পৰাৰ বাবেই ১৯৫০ চনৰপৰা অসমত বানপানী নুগুচাই হৈছে।

সাগৰ পাৰত বহি ৰজা কেনিউটে হেনো সাগৰৰ ঢৌক বাধা দি কৈছিল - "Thus fur and no further." – এয়াই বহুত আৰু নাহিবা। সাগৰে যেনিবা ৰজাৰ বাধা নামানিলে, দৰাচলতে প্ৰকৃতিৰ কোনো বিপৰ্যয়ে মানুহৰ হাক-বচন বা কাতৰ প্ৰাৰ্থনা একোকে নুশুনে। ঈশ্বৰে প্ৰাকৃতিক দুৰ্যোগ যেনেকৈ দিছে, তাক আয়ত্ত আৰু প্ৰতিৰোধ কৰাৰ ক্ষমতা-সাহস আৰু বুদ্ধি-কৌশল আৱিষ্কাৰ কৰাৰ শক্তিও মানুহক দিছে। হয়তো ভবিষ্যতে মানুহে এদিন প্ৰকৃতিৰ সকলো বিপৰ্যয়ৰ হাত সাৰিবলৈ সমৰ্থ হ'ব। সেইদিন সোনকালে আহক।

121. ‘ভূঁইকঁপ’ শব্দটোত দুটা চন্দ্র বিন্দু আছে। এই চন্দ্রবিন্দু দুটা ব্যৱহাৰ কিয় হ’ল ?

(1) মূল ভূমিকম্প শব্দৰ লগত অৰ্থৰ সংগতি ৰাখি

(2) শব্দটো নাসিক্য ৰূপত উচ্চাৰণ কৰিবৰ বাবে

(3) মূল ভূমিকম্প শব্দটোৰ নাসিক্য ‘ম’ বৰ্ণ দুটা লোপ পোৱাৰ বাবে তাৰ ঠাইত নাসিক্য চন্দ্ৰবিন্দু বৈ গ’ল।

(4) ভূমি আৰু কম্পন সূচাবলৈ।

122. পুৰণি অসমৰ ৰাজধানী শ্বিলং কোন চনৰ ভূমিকম্পত বেয়াকৈ ধ্বংশপ্ৰাপ্ত হৈছিল ?

(1) ১৮৩০ (2) ১৮৯৭

(3) ১৯২৩ (4) ১৯৩০

123. স্পিটাক আৰু লাইণাকান কোন দেশৰ অন্তৰ্ভূক্ত ?

(1) আৰ্মেনীয়া

(2) ৰাছিয়া

(3) চীন

(4) বাৰ্মা

124. ১৯৫০ চনৰ ভূমিকম্পত অসমৰ কিমান মানুহ ক্ষতিগ্ৰস্থ হৈছিল ?

(1) প্ৰায় 2,000

(2) প্ৰায় 2,00,000

(3) প্ৰায় 20,00,000

(4) প্ৰায় 2,20,0000

125. “১৯৮৮ চনৰ ৭ ডিচেম্বৰত ৰাছিয়াৰ আৰ্মেনিয়া প্ৰদেশৰ স্পিটাক আৰু লাইনাকান চহৰত প্ৰলয়ঙ্কৰী ভূঁইকঁপ হোৱাত ৫৫ হাজাৰমান মানুহৰ মৃত্যু হয় আৰু ১ লাখ মান মানুহ আহত হয়।” – এই বাক্যটো।

(1) সৰল বাক্য

(2) জটিল বাক্য

(3) ভাৱবোধক বাক্য

(4) আলংকাৰিক বাক্য

126. ১৯৫০ চনৰ ভূঁইকঁপৰ ফলত অসমত বানপানী হোৱাৰ কাৰণ আছিল -

(1) পানি উজাই বৈছিল।

(2) কোনো কোনো ঠাই বালিয়ে পুতি পেলাইছিল।

(3) নদীবোৰৰ তলীবেৰে ওফন্দি উঠিছিল।

(4) গছ-বিৰিখ নোহোৱা হৈছিল।

127. মুংগেৰ, দ্বাৰভাঙ্গা, মজঃফৰপুৰ, সীতামাৰি আদি অঞ্চলক ধ্বংশস্তুপত পৰিণত কৰা ভূমিকম্পটো হৈছিল -

(1) ১৯৩৪ চনত

(2) ১৯৭৭ চনত

(3) ১৯২৩ চনত

(4) ১৯৩০ চনত

128. অসম চৈধ্যতা ভূঁইকঁপ কিমান বছৰৰ ভিতৰত হৈছিল ?

(1) ১২০

(2) ১৮০

(3) ১০১

(4) ৯০

www.prepp.in

Prepp
Your Personal Exams Guide



**নির্দেশ :তলৰ গদ্যাংশ মনোযোগেৰে পঢ়ি প্ৰশ্ন নং 129 ৰ পৰা 135 লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ –**

শৰীৰৰ সুস্থ অৱস্থাৰ নাম স্বাস্থ্য। 'স্বাস্থ্যই পৰম ধন' বুলি আমাৰ এষাৰি কথা আছে। ই মিছা নহয়, কিয়নো হাজাৰে ধন থাওক, স্বাস্থ্য ভাল নহ'লে সকলো মিছা। সুখ-স্বাচ্ছন্দ্যৰ কাৰণেই মানুহক ধন লাগে; কিন্তু স্বাস্থ্যহীন মানুহৰ সুখ-শান্তি নাথাকে। কবিয়ে সেই বাবেই কৈছে - 'অণুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ'।

শাস্ত্ৰত আছে - 'শৰীৰমাদ্যং খলু ধৰ্ম সাধনম্' – ধৰ্ম-কৰ্ম সাধনৰ গুৰিতেই হৈছে শৰীৰ। শৰীৰ সুস্থ হ'লে মনো সুস্থ হয়, মন সুস্থ হ'লেহে মনৰ উৎসাহ আৰু উদ্যম থাকে, চিন্তাও সুস্থ হয়। মনৰ উৎসাহে কৰ্ম-প্ৰেৰণা যোগায়; সুস্থ চিন্তাই কৰ্ম-পদ্ধতিক সুপৰিকল্পিত ৰূপ দিয়ে, পৰিকল্পিত কৰ্ম-পদ্ধতিৰে কাম কৰি গ'লেহে জীৱনত উদ্‌গতি কৰিব পাৰি; গতিকে দেখা যায় যে জীৱনৰ উদ্‌গতিৰ মূলতে হৈছে স্বাস্থ্য। সেয়ে স্বাস্থ্য ৰক্ষাৰ প্ৰতি চকু দিয়া একান্ত প্ৰয়োজন।

মিতাচাৰ, নিয়মীয়া পৰিশ্ৰম, আৱশ্যকীয় বিশ্ৰাম, কুঅভ্যাস আৰু কুসংগ বৰ্জন, সংযম আদি স্বাস্থ্য ভালে ৰখাৰ প্ৰধান অৱলম্বন। লোভৰ বশৱৰ্তী হৈ অতিপাতকৈ খালে বা অখাদ্য খালে, এলাহৰ বশীভূত হৈ কোনো পৰিশ্ৰম নকৰিলে বা অত্যুৎসাহী হৈ বিৰামহীনভাবে পৰিশ্ৰম কৰিলে, স্বভাৱৰ দোষত নিয়ম-সংযম নামানি উচ্ছৃঙ্খল জীৱন যাপন কৰিলে স্বাস্থ্য ভাঙি পৰা স্বাভাৱিক।

সংগ দোষত পৰি মদ-ভাং আদি খোৱা, কুঅভ্যাসৰ বশৱৰ্তী হৈ আৰু-উচ্ছৃঙ্খল জীৱন যাপন কৰি স্বাস্থ্য হেৰুৱাই পিছত হা-হুতাশত দিন নিয়া লোকৰ উদাহৰণো পাবলৈ আছে। সেইবাবে স্বাস্থ্য ভালে ৰাখিবলৈও কুসংগ ত্যাগ কৰা উচিত - 'দুঃসঙ্গ সৰ্ব থৈব ত্যাজ্য' – শাস্ত্ৰৰো এয়ে মত। বিশুদ্ধ বায়ু সেবন কৰা, পৰিমিতভাবে ৰ'দ লোৱা, ব্যায়াম আদি কৰা স্বাস্থ্যৰ পক্ষে বৰ লাগতিয়াল।

পৰিষ্কাৰ-পৰিচ্ছন্নতাও স্বাস্থ্য ৰক্ষাৰ আন এটা প্ৰধান বিধি। পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিলে বেমাৰ সুঁচৰিব নোৱাৰে আৰু মনটোও ভাল লাগি থাকে। সেইবাবে থকা ঘৰ-চোতাল, পিন্ধা সাজ-পাৰ আৰু খোৱা বা ৰন্ধা-বঢ়া কৰা বাচন-বৰ্তন পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিব লাগে।

আহাৰ স্বাস্থ্য ৰক্ষাৰ প্ৰধান হেতু। অপৰিমিত ভোজন আৰু অখাদ্য ভক্ষণেহে যে স্বাস্থ্যহানি কৰে এনে নহয়; পৰিমিত আহাৰতো শৰীৰৰ কাৰণে দৰকাৰী বস্তু কেলৰী, খাদ্যপ্ৰাণ, লো, লোণ, খনিজ-বস্তু আদিৰ অভাৱ হ'লে শৰীৰৰ পুষ্টি নহয়।

ঘিউ-মৌ, মাছ-মঙহ বা আপেল-আঙুৰতহে এইবোৰ আছে এনেও নহয়; বাৰীৰ ঢাপৰ ঢেঁকীয়া, ঔটেঙা, বগৰী, আমলখি আদি শাক-পাচলি আৰু ফল-মূলতেই এইবোৰ সৰহকৈ পোৱা যায়। সেইবাবেহে কোৱা হয়, 'শাকে-শোকোতাই ভোজন, সি পুৰুষৰ লক্ষণ।'

সাৱধানে চলিলেও শৰীৰত ক'ৰবাৰপৰা কেনেবাকৈ ৰোগ-ব্যাধি হ'ব পাৰে। সেয়ে ৰোগ হ'লে তাক নিৰাময় কৰিবৰ কাৰণে লগে লগেই যত্ন কৰিব লাগে। কিয়নো 'অল্প ঘাঁত নিদিয়ে ঔষধি, বিস্তৰ হ'লে হত হোৱে বুধি' – সামান্য বুলি আওকাণ কৰি থাকোঁতেই ৰোগ বৃদ্ধি হৈ বিবুধিত পেলাব পাৰে।

ই ‘বেল প্ৰমাণ বাঢ়ে, তিল প্ৰমাণ টুটে’ । সেইবাবে শৰীৰত যাতে ৰোগ হ’বলৈ নাপায় আৰু কেনেবাকৈ হ’লেও যাতে সোনকালে আৰোগ্য কৰিব পাৰি, তাৰ কাৰণে সদায় সচেষ্ট হ’ব লাগে। ‘মূৰ্খ বৈদ্য যম সম’ – গতিকে ৰোগ হ’লে জৰা-ফুকা, পূজা-পাতল আদি অবৈজ্ঞানিক ব্যৱস্থা নলৈ অভিজ্ঞ চিকিৎসকৰ পৰামৰ্শ ল’ব লাগে।

নিয়মিত পৰিশ্ৰমো স্বাস্থ্যৰ কাৰণে অতীৱ প্ৰয়োজন । আমি প্ৰধানতঃ অন্ন সংস্থান আৰু প্ৰতিষ্ঠা লাভৰ কাৰণেহে পৰিশ্ৰম কৰোঁ । সেইবাবে পৰিশ্ৰম কেতিয়াবা মাত্ৰাতীত হয়, শাৰীৰিক আৰু মানসিক পৰিশ্ৰমৰ মাজত ভাৰসাম্য নথকা হয়, তদুপৰি এই উদ্দেশ্যে কৰা শাৰীৰিক পৰিশ্ৰমতো দেহৰ সৰ্বাংগৰ সঞ্চালন নহ’বও পাৰে । অথচ স্বাস্থ্যৰক্ষাৰ কাৰণে পৰিমিত পৰিশ্ৰম, শাৰীৰিক আৰু মানসিক শ্ৰমৰ ভাৰসাম্য আৰু শৰীৰৰ সৰ্বাঙ্গ সঞ্চালন নিতান্ত লাগতিয়াল। সেইবাবে শ্ৰম যাতে অপৰিমিত নহয় আৰু শাৰীৰিক আৰু মানসিক শ্ৰমৰ ভাৰসাম্য যাতে ৰক্ষা হয়, তাৰ বাবে সততে চকু ৰখা দৰকাৰ। দেহৰ সকলোবোৰ অংগৰ সঞ্চালনৰ কাৰণে ব্যায়াম, খেলা-ধূলা আদি কৰা উচিত।

যৌগিক আসনাদিও শৰীৰৰ কাৰণে বৰ উপযোগী । ইয়াৰ উপৰিও আজৰি পৰত ছাত্ৰসকলে কোৰ মৰা, খৰি মেলোৱা আদি কাম কৰিলে শৰীৰ চৰ্চাৰ লগতে ঘৰখনৰো সহায় হয়।

**129. জীৱনৰ উদ্‌গতিৰ মূলতে স্বাস্থ্য। কাৰণ,**

(1) সুস্থ শৰীৰে গঢ় দিয়া সুস্থ মনেহে সুপৰিকল্পিত কৰ্মপদ্ধতি গঢ় দিব পাৰে।

(2) সুস্থ কৰ্মপদ্ধতিয়ে সুস্থ স্বাস্থ্য গঢ় দিয়ে।

(3) সুস্থ চিন্তা সুস্থ স্বাস্থ্যৰ মূল।

(4) সুস্থ চিন্তা আৰু সুস্থ কৰ্মপদ্ধতি মিলিলেহে মানুহ সফল হয়।

**130. জ্ঞান আৰু সম্পদ লাভৰ বাবে -**

(1) মানুহ মিতাচাৰী হ’ব লাগে

(2) মানুহ স্বাস্থ্যবান হ’ব লাগে

(3) মানুহ উচ্ছৃংখল হ’ব নালাগে

(4) মানুহ লোভৰ বশৱৰ্তী হ’ব নালাগে

**131. তলৰ কোনটো স্বাস্থ্য ৰক্ষাৰ এটা উপায় নহয় ?**

(1) পৰিস্কাৰ পৰিচ্ছন্নতা

(2) নিয়মীয়া পৰিশ্ৰম

(3) কু অভ্যাস আৰু কুসংগ বৰ্জন

(4) জ্ঞান আৰু সম্পদ লাভৰ সাধনা

132. “শাকে শোকোতাই ভোজন, সি পুৰুষৰ লক্ষণ।” – অৰ্থাৎ

(1) বাৰীৰ ঢাপৰ শাক-পাছলি আৰু ফল মূলতে সৰহকৈ পুষ্টিদায়ক উপাদান পোৱা যায়।

(2) মানুহে যি পায় সকলো খাব লাগে।

(3) খাদ্যৰ বাচ বিচাৰ নোহোৱাকৈ খালেহে খাদ্যপ্ৰাণ পোৱা যায়।

(4) অপৰিমিত ভোজন আৰু অখাদ্য ভক্ষণে স্বাস্থ্য হানি কৰে।

133. ‘ৰোগ বেল প্ৰমাণ বাঢ়ে’ – ইয়াত ‘প্ৰমাণ’ৰ ‘প্ৰ’ টো এটা –

(1) উপসৰ্গ

(2) পৰসৰ্গ

(3) অনুসৰ্গ

(4) বিভক্তি

134. শাৰীৰিক পৰিশ্ৰম –

(1) মাত্ৰাধিক হ’ব লাগে।

(2) মানসিক পৰিশ্ৰমতকৈ বেছি হ’ব লাগে।

(3) যৌগিক আসনৰ দৰে হ’ব লাগে।

(4) পৰিমিত হ’ব লাগে।

135. কবিয়ে ‘অনুমাত্ৰ সুখ নাই চিৰ ৰুগীয়াৰ’ বুলি কৈছে। কাৰণ,

(1) অসুখী মনৰ মানুহ ৰুগীয়া হয়

(2) স্বাস্থ্যহীন মানুহৰ সুখ নাথাকে

(3) স্বাস্থ্য কোনেও ভাল কৰি দিব নোৱাৰে

(4) ধন থাকিলেহে স্বাস্থ্য ভালে ৰাখিব পাৰি

**তলৰ 136ৰ পৰা 150 নং প্ৰশ্নলৈকে প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি উলিওৱাঁ।**

136. ভাৰতীয় সংবিধানৰ ৩৪৩(২) অনুচ্ছেদ অনুসৰি -

(1) হিন্দী এটা ৰাজভাষা

(2) হিন্দী এটা সহযোগী ৰাজভাষা

(3) ইংৰাজী এটা ৰাজভাষা

(4) ইংৰাজী এটা সহযোগী ৰাজভাষা

137. তলৰ কোনটো কথা ধ্ৰুপদী ভাষা এটাৰ বাবে প্ৰাথমিক চৰ্ত নহয় -

(1) ভাষাটোৰ ১৫০০ ৰ পৰা ২০০০ বছৰ পুৰণি ইতিহাস / লিখিত সাহিত্য আছে।

(2) ভাষাটোত প্ৰাচীন সাহিত্য/মহাকাব্য ৰচিত হৈছে।

(3) ভাষাটো অনুসূচী অন্তৰ্ভুক্ত (Scheduled) হ’ব নালাগিব।

(4) ভাষাটোৰ নিজা সাহিত্যিক পৰম্পৰা থাকিব লাগিব আৰু আন ভাষিক গোটৰ ওচৰত ধৰুৱা হ’ব নালাগিব।

138. শিক্ষাৰ্থীৰ শ্ৰৱণ-দক্ষতা (Listening Skills) জুখিব পাৰি –

(1) তেওঁলোকৰ সৈতে নিয়মীয়া অনুশীলন আৰু অভ্যাসনৰ যোগেদি।

(2) কাহিনী কথন আৰু বোধ ভিত্তিক (Comprehension based) প্ৰশ্ন উত্থাপন কৰি।

(3) নিৰৱ পঠনৰ বাবে তেওঁলোকক অতিৰিক্ত সুবিধা প্ৰদান কৰি।

(4) শিক্ষামূলক ভ্ৰমণলৈ নিয়া।

**139. পঠনৰ প্ৰাথমিক অৱস্থাত শিক্ষকে গুৰুত্ব প্ৰদান কৰিবলগীয়া দিশটো হৈছে -**

(1) ভাষাটোৰ বৰ্ণসমূহ মনত ৰখা

(2) পঠনৰ সাৱলীলতা

(3) বৰ্ণ-উচ্চাৰণ সংযোগৰ (letter-sound correspondence) উন্নতি

(4) পঠনৰ নিৰ্ভুলতা

**140. শ্ৰৱণ আৰু পঠন হৈছে -**

(1) গ্ৰহণাত্মক (Receptive) দক্ষতা

(2) ব্যক্তকৰণ (Expressive) দক্ষতা

(3) আকৰ্ষণীয় (Interesting) দক্ষতা

(4) চিন্তামূলক (Thinking) দক্ষতা

**141. নতুন লিখকসকলক তেওঁলোকৰ প্ৰয়োজন অনুসৰি শিক্ষকে প্ৰদান কৰিবলগীয়া সঁহাৰি হৈছে -**

(1) তেওঁলোকৰ লেখাৰ বৈয়াকৰণিক ত্ৰুটি সম্পৰ্কত সবিশেষ প্ৰতিক্ৰিয়া (Feedback) প্ৰদান।

(2) তেওঁলোকৰ লেখনীৰ উদ্ধৃতিসহ বিশেষ মন্তব্য প্ৰদান কৰি তেওঁলোকে ভাল কাম কৰা বুলি প্ৰশংসা কৰা।

(3) ভুলবোৰত গুৰুত্ব নিদিবলৈ পৰামৰ্শ দিয়া।

(4) শ্ৰেণীকোঠাত ভালকৈ নেলেখাটোক আধাৰ কৰি গ্ৰেড প্ৰদান কৰি।

**142. তলৰ কোনটো ভাষা আহৰণ আৰু ভাষা শিকনৰ প্ৰাথমিক পাৰ্থক্য ?**

(1) সাৱলীলতা আৰু নিৰ্ভুলতা

(2) ভাষা পৰিচয়কৰণৰ স্তৰ (Level of Exposure to language)

(3) সাৱলীলতা আৰু প্ৰৱাহিতা (Pace)

(4) প্ৰৱাহিতা (Pace) আৰু উচ্চাৰণ

**143. তলৰ কোনটো মন্তব্য মাতৃভাষাক সমল হিচাপে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত শুদ্ধ নহয় ?**

(1) ই শিক্ষাৰ্থীসকলক শিকিবলৈ, চিন্তা কৰিবলৈ আৰু যোগাযোগ ৰক্ষা কৰিবলৈ সহায় কৰে।

(2) ই শিক্ষাৰ্থীসকলৰ অৰ্থগ্ৰহণ কৰিব পৰা প্ৰক্ৰিয়াত ইতিবাচক ভূমিকা গ্ৰহণ কৰে।

(3) মাতৃভাষাই শিক্ষণৰ বাবে এখন বহল ক্ষেত্ৰ মুকলি কৰে।

(4) ই দ্বিতীয় ভাষাক উপেক্ষা কৰাত সহায় কৰে।

**144. তলৰ কোনটো প্ৰাথমিক স্তৰত শিশুৰ ভাষা বিকাশৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ?**

(1) ব্যাকৰণৰ জ্ঞান

(2) ভাষা সমৃদ্ধ পাৰিপাৰ্শ্বিকতা

(3) ভাষাৰ পাঠ্যপুথি

(4) শিশুৰ মূল্যায়ন

www.prepp.in

Prepp
Your Personal Exams Guide



**145.** পত্ৰাধাৰ **(Portfolio)** কিহৰ উদাহৰণ ?

(1) আত্ম মূল্যায়ন

(2) শিক্ষক মূল্যায়ন (Teacher assessment)

(3) আত্মমূল্যায়ন আৰু শিক্ষক মূল্যায়ন দুয়োটা

(4) ৰাজ্যিক পৰিষদ (State Board) অৰ মূল্যায়ন

**146.** শব্দশৃংখলে **(Crossword puzzle)** তলৰ কোনটোৰ বিকাশত সহায় কৰে ?

(1) শ্ৰৱণ দক্ষতা

(2) লিখন দক্ষতা

(3) শব্দভাণ্ডাৰ

(4) সাহিত্যিক অৰ্থ (Literary Meaning)

**147.** কথন কাৰ্য মূল্যায়ন কৰাৰ ক্ষেত্ৰত তলৰ কোনটোৰ প্ৰয়োজন নাই ?

(1) শব্দৰ উচ্চাৰণ

(2) প্ৰসংগ অনুসৰি উপযুক্ত ৰূপৰ (Form) ব্যৱহাৰ

(3) অভিধান আৰু তথ্যকোষ (Thesauses) অৰ ব্যৱহাৰ

(4) বক্তব্যৰ স্পষ্টতা

**148.** এটা ভাষাৰ বৰ্ণসমূহৰ উচ্চাৰণসহ পঠনৰ শিক্ষা হৈছে -

(1) প্ৰত্যক্ষ পদ্ধতি (Direct Method)

(2) ধ্বনিমূলক (Phonic) পদ্ধতি

(3) সামগ্ৰিক ভাষা (Whole language)

(4) আংশিক ভাষা (Part language)

**149.** পাঠ্যপুথিৰ পৰা বাহিৰলৈ যোৱা **(Going beyond the textbook)** মানে হৈছে -

(1) পাঠ্যপুথিৰ বাদে অতিৰিক্ত শিকন সামগ্ৰীৰ যোগান ধৰা ।

(2) পাঠ্যপুথিক গুৰুত্ব নিদি তাৰ বাহিৰলৈ যোৱা ।

(3) জ্ঞান পাঠ্যপুথিকেন্দ্ৰিক হ'ব লাগে ।

(4) পাঠ্যপুথিৰ বাহিৰলৈ গৈ ছাত্ৰ-ছাত্ৰীৰ ওপৰত অতিৰিক্ত বোজা আৰোপ নকৰা ।

**150.** শিক্ষকে তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থীসকলক এটা খাম প্ৰস্তুত কৰিবলৈ দিছে আৰু শিক্ষাৰ্থীসকলে এই নিৰ্দেশ পালন কৰিছে । ভাষা শিক্ষণৰ শ্ৰেণী এটাত এই কাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব -

(1) লিখন দক্ষতা বিকাশৰ ক্ষেত্ৰত

(2) কথন দক্ষতা বিকাশৰ ক্ষেত্ৰত

(3) শ্ৰৱণ দক্ষতা বিকাশৰ ক্ষেত্ৰত

(4) সৃজনীশীলতা বিকাশৰ ক্ষেত্ৰত

www.prepp.in



**SPACE FOR ROUGH WORK**

Your Personal Exam Guide

www.prepp.in

Prepp
Your Personal Exams Guide



**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :**

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে । প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পে'নেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব । সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব ।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌শ্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই । এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব ।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।
12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

www.prepp.in



**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें ।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉल पॉइन्ट पेन** से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
5. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी । इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए ।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्वीच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए । इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित ।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान हाज़िरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
12. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल / कक्ष छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY:**

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/ room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/ rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his / her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his / her seat.
11. The candidates should not leave the Examination Hall/ Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic / Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room. *The candidates are allowed to take away this Test Booklet with them.***